# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
*- - - - - - - -*

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে তাৰকা প্ৰচাৰকৰ উপস্থিতিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ আকৰ্ষণীয় পৰ্যায়ত । বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সৰ্বানন্দ সোণোৱাল আৰু কংগ্ৰেছ দলৰ সভাপতি ভূপেন কুমাৰ বৰাৰ প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ।

২। পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা ভগৱন্ত মানৰ কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে অসমত নিৰ্বাচনী প্ৰচাৰ।

৩। এইবাৰৰ নিৰ্বাচন বিচাৰধাৰা, সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ যুঁজ বুলি গুৱাহাটীত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশৰ মন্তব্য।

৪। ৰাজ্যজুৰি ব্যাপক উৎসাহ উদ্দীপনাৰে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ঈদ-উল-ফিতৰ উদযাপন ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ ৮টা দিন বাকী থকা অৱস্থাত তাৰকা প্ৰচাৰকৰ উপস্থিতিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ আকৰ্ষণীয় হৈ উঠিছে। কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মান অসমত উপস্থিত হ'ব। তেওঁ ডিব্ৰুগড় সমষ্টিত দলীয় প্ৰাৰ্থী মনোজ ধনোৱাৰৰ হৈ তিনিচুকীয়া জিলাৰ টিংৰাইত নিৰ্বাচনী সমাৰেশত অংশ ল'ব। পৰহিলৈ নেতাগৰাকীয়ে শোণিতপুৰ সমষ্টিত দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌন্দিন্যৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

ইফালে, অহা সপ্তাহত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। আনহাতে, কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে যোৰহাট আৰু ডিব্ৰুগড়ৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে ১৬ এপ্ৰিলত ৰাজ্যখনত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ মাৰ্ঘেৰিটাৰ বৰগোলাই খেলপথাৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে নাহৰকটীয়া,

দুলীয়াজান আৰু খোৰাঙৰ জনসভাতো অংশ লয়। নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, যোৱা ১০ বছৰত অসমৰ ৮০ লাখ লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে।

ইফালে, শ্ৰী সোণোৱালে আজি ডিগবৈ বিধানসভা সমষ্টিৰ টঙনা ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে দুই নম্বৰ বেটনী ৰংগমঞ্চ, দুৱাৰমৰা আদৰ্শ গাঁও খেলপথাৰ আৰু পেঙেৰী প্ৰগতিশীল সংঘৰ লগতে ডিগবৈ মণ্ডলত খেৰজান বিহুতলী, মুলিয়াবাৰী নৱ যুৱক সংঘ, কালিপূজা খেলপথাৰ, মিছনপাৰা আৰু কালীবাৰী হাউছিং এলেকাত প্ৰচাৰ চলায়।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৰ হৈ তেজপুৰত নিৰ্বাচনী প্ৰচাৰত অংশ লয়। যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

আনহাতে ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি টিংখাং বিধানসভা সমষ্টিত কেইবাটাও নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত ভাগ লয়।

আনহাতে, বিজেপি মিত্ৰজোঁটৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি তিতাবৰ আৰু মাজুলীত ১২ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। লগতে প্ৰাৰ্থীগৰাকীয়ে মাজুলীতো আজি প্ৰচাৰ চলায়। তেওঁ মাজুলীৰ কৰতীপাৰ, শ্ৰীলুইত, চিলাকলা, দক্ষিণ কমলাবাৰী আদি অঞ্চলত প্ৰচাৰ চলায়। দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই প্ৰাৰ্থীগৰাকীক সংগ দিয়ে।

আজি কলিয়াবৰত কাজিৰঙা সংসদীয় সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই প্ৰচাৰ চলায়। কলিয়াবৰৰ মিছা, ধনেখোৱা আৰু জখলাবন্ধাত দুয়োগৰাকী নেতাই প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। প্ৰাৰ্থীগৰাকীৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে গোলাঘাট বিধানসভা সমষ্টিত তিনিখনকৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশত দৰিদ্ৰতা নিৰ্মূল হোৱা বুলি উল্লেখ কৰি তেওঁ ২০৪৭ চনৰ ভিতৰত ভাৰত এখন শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মন্তব্য কৰে।

গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি গুৱাহাটীৰ মালিগাঁও, সুন্দৰবড়ী, গণেশপাৰা, লাচিতঘাট আৰু নেপালী মন্দিৰত প্ৰচাৰ চলায়।

গুৱাহাটী সমষ্টিৰ সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

বিজেপিৰ নেতা তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ বজালীত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী তথা নেতা-কৰ্মীয়ে আজি নিৰ্বাচনী প্ৰচাৰৰ সমান্তৰালভাৱে ঈদ উদযাপন আৰু ঈদৰ সমূহীয়া নামাজতো অংশ লৈছে।

শিৱসাগৰ জিলাত নিৰ্বাচনী তৎপৰতা আৰু ঈদ উদয্যাপন সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা মুজাহিদ আলীয়ে এইদৰে কয়-

*ভইচ*

০০০০০

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে আজি গুৱাহাটীত এখন সংবাদমেলত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয় যে ২০০৪ চনত ২০ দিনৰ ভিতৰত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল, যদিও ডিজিটেল ইণ্ডিয়াৰ সময়ত  এতিয়া নিৰ্বাচনৰ বাবে ৪০ দিনৰ প্ৰয়োজন হৈছে। ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিশ্ৰুতি দিয়াৰ বিপৰীতে বিজেপিয়ে ভিত্তিহীন কথাৰে প্ৰচাৰ চলাইছে বুলিও তেওঁ অভিযোগ কৰে। এইবাৰৰ নিৰ্বাচন বিচাৰধাৰা, সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ যুঁজ বুলি তেওঁ মন্তব্য কৰে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণ ৰূপত পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰশাসনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবেও ভালেমান কাৰ্যসূচী লৈছে। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি লোকসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে দৰং জিলাৰ মুঠ ৮৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰি তোলাৰ বাবে যাৱতীয় প্ৰস্তুতি চলোৱা হৈছে। নিৰাপত্তাৰ দিশৰ পৰা ১৬৯টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ বুলি চিনাক্ত কৰি সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব দিয়া হ'ব। আনহাতে, ৪৬১টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি, ভেবাৰঘাট প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰটো কেৱল দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনৰ ৬টা ভোটকেন্দ্ৰ আদৰ্শ ভোটকেন্দ্ৰ হিচাপে পৰিচালনা কৰাৰ বিপৰীতে ৩০টা ভোটকেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা আৰু ২১টা ভোটকেন্দ্ৰ যুৱ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। ইফালে ওদালগুৰি জিলাৰ চাহ বাগিচাৰ ২০ হাজাৰ কৰ্মীয়ে আজি নিৰ্বাচনী সজাগতাৰ অংশ হিচাপে সংকল্প গ্ৰহণ কৰে। তেওঁলোকে নৈতিক ভোটদানৰ বাবে এই সংকল্প লয়।

দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত বাসগৃহৰ পৰা ভোটদান কৰিবলগীয়া ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া অহা ১৭ এপ্ৰিলত আৰম্ভ হ'ব। জিলাখনৰ মুঠ ৫৪৫ গৰাকী বিশেষভাৱে আৰু ৮৫ বছৰ উৰ্ধৰ ভোটদাতাই ঘৰতে ভোটদান কৰিব পাৰিব।

০০০০০

লোকসভা নিৰ্বাচনত সততা আৰু দায়বদ্ধতাৰে ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে কালি তিনিচুকীয়া জিলাৰ ডেৰ লক্ষাধিক লোকে মাত্ৰ এঘণ্টাৰ ভিতৰতে শপতগ্ৰহণ কৰি এক ৰাষ্ট্ৰীয় অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কালি দিনৰ ১১ বজাৰ পৰা ১২ বজাৰ ভিতৰত জিলাখনৰ ১ লাখ ৫৯ হাজাৰ ১৯১ জন লোকে নিৰ্বাচনী শপতবাক্য পাঠ কৰে। জিলা আয়ুক্ত স্বপ্নীল পালৰ আহ্বানক্ৰমে অনুষ্ঠিত এই কাৰ্যসূচী দেশৰ ভিতৰতে এক বিৰল অভিলেখ হিচাপে পৰিগণিত হৈছে। এই ক্ষেত্ৰত জিলাৰ পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণকাৰী কাৰ্যসূচী চমুকৈ ছুইপ কোষে বিশেষ তৎপৰতা গ্ৰহণ কৰে বুলি কোষৰ ভাৰপ্ৰাপ্ত বিষয়া নুজাহাত নাছৰিনে জনায়। এই অভিলেখ সৃষ্টি কৰাত ৯৬ হাজাৰ ৪১৯ গৰাকী আত্মসহায়ক গোটৰ সদস্য আৰু ৩৩ হাজাৰ ৬০৩ গৰাকী চাব বনোৱাই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। এই নিৰ্বাচনী শপতবাক্যশাৰী জিলা ছুইফ কোষৰ তৰফৰ পৰা অসমীয়াৰ উপৰি হিন্দী আৰু ইংৰাজী ভাষাতো বিতৰণ কৰা হয়।

০০০০০

অহা ৭ মে'ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন

অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত অসমৰ লগতে পশ্চিমবংগৰ ৪ খনকৈ, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, মধ্যপ্ৰদেশৰ ৮, ছত্তিশগড়ৰ ৭, বিহাৰৰ ৫, গোৱা আৰু দাদৰা আৰু নগৰহাৱেলি তথা দমন আৰু ডিউৰ দুখনকৈ আৰু জম্মু-কাশ্মীৰত এখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অসমত এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিললৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, ২২ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। অহা ৭ মে'ত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ উদযাপন কৰিছে। পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত আজি পুৱাই সমূহীয়া নামাজ পঢ়িবলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকল ৰাজহুৱা ইদগাহ ময়দান আৰু মহজিদ সমূহৰ চৌহদত সমৱেত হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়। জিলাখনৰ ৰঙিয়াৰ, কমলপুৰ, বেজেৰা, মুক্তাপুৰ, আমিনগাঁও, বাইহাটা, মিৰ্জা, ছয়গাঁও, বকো, নগৰবেৰা, গৰৈমাৰী, বিজয়নগৰত এই উৎসৱ পালন কৰা হয়। আজি পুৱাৰ ভাগত সহস্ৰাধিক লোকে গুৱাহাটীৰ মাছখোৱা, হাতীগাঁও, জালুকবাৰী, গাৰীগাঁও ঈদগাহ ময়দানত নামাজ উপলক্ষে সমবেত হয়। আনহাতে গোৱালপাৰা চহৰৰ নয়াপাৰা ঈদগাহ ময়দানত ১০ সহস্ৰাধিক লোকে ঈদৰ নামাজ পঢ়িবলৈ সমবেত হয়। তদুপৰি জিলাখনৰ লখিপুৰ, শিমলিতোলা, ধূপধৰা, মাটিয়া, আমবাৰী, জলেশ্বৰ আদি অঞ্চলৰ ইছলাম ধৰ্মাৱলম্বী লোকে এই উৎসৱ উলহ-মালহেৰে উদযাপন কৰে। ইপিনে শিৱসাগৰৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেঙনিকটীয়া, ষ্টেচন চাৰিআলি আদি বিভিন্ন স্থানত ঈদৰ সমূহীয়া নামাজত বহু লোকে অংশগ্ৰহণ কৰে। আন আন ঠাইৰ লগতে ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্ততো সমূহীয়া নামাজ অনুষ্ঠিত হয়। ইফালে বৰপেটা জিলাৰ কুকাৰপাৰ ঈদগাহ ময়দানত কমেও ২০ হাজাৰ লোকে একেলগে নামাজ পঢ়ে। ইয়াৰ উপৰি চিৰাং জিলাতো উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। জিলাখনৰ ধালিগাঁও, বৰতালোৱা ঈদগাহ ময়দান, বৰপথাৰ, ছাতিপুৰ, বাসুগাঁও আদিৰ ঠাইৰ মছজিদসমূহত অগণন লোকে সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। লগতে তামুলপুৰ জিলাৰ গোৰেশ্বৰ, দ্বাৰকুছি, কুমাৰীকাটা আদি ঠাইতো ঈদ-উল-ফিটৰ উপলক্ষে সমূহীয়া নামাজ অনুষ্ঠিত হয়। ইপিনে নলবাৰী জিলাৰ বৰ মছজিদৰ ঈদগাহ ময়দানত প্ৰায় ২০ সহস্ৰাধিক লোকে সমূহীয়া নামাজত অংশ লয়। হাইলাকান্দি জিলাৰ কাটলিচৰা, আলগাপুৰ, পাঁচগ্ৰাম আদি স্থানতো ইছলাম ধৰ্মী লোকসকলে ঈদ-উল-ফিটৰ উপলক্ষে সমূহীয়া নামাজত অংশ লয়। কৰিমগঞ্জ জিলাৰ সৰ্ববৃহৎ ঈদ মণ্ডলী কৰিমগঞ্জ টাউন ঈদগাহত সহস্ৰাধিক লোকে আজি ঈদৰ নামাজত অংশ লয়।

০০০০০

হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত প্ৰাক ৰঙালী ৰঙেৰে ৰাজ্যৰ চৌদিশ মুখৰিত হৈ পৰিছে। ৰঙালীক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক প্ৰস্তুতি চলিছে। ঠায়ে ঠায়ে বিহুৰ আখৰা চলি থকাৰ লগতে বিভিন্ন ঠাইত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে।

ব'হাগক আদৰিবলৈ আন বছৰৰ দৰে এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই ১৩ এপ্ৰিল অৰ্থাৎ গৰু বিহুৰ দিনা জৰ্জ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। সেইদিনা পুৱা বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে বিহুৰ পতাকা উত্তোলেনেৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

গুৱাহাটীৰ বেলতলা ব'হাগী উৎসৱ সমিতিয়ে অহা ১৯ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বেলতলা বিদ্যালয় খেলপথাৰত ৪৫ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। উল্লেখ্য যে ২০১২ চনৰ পৰা এই বিহু উদযাপন সমিতিয়ে ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ নামত এটি বঁটা প্ৰদান কৰি আহিছে। অসমৰ সাহিত্য আৰু সাংস্কতিক জগতৰ পুৰোধা ব্যক্তিসকলক এই বঁটা প্ৰদান কৰা হ'ব। এই বছৰ সমিতিখনে এই বঁটাটি ভাৰতীয় বোলছবি জগতৰ যশস্বী অভিনেতা জৰ্জ বেকাৰক প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২১ এপ্ৰিলত প্ৰদান কৰিবলগীয়া এই বঁটাত আছে ২ লাখ টকা, মানপত্ৰ, স্মাৰক আৰু এখনি বিহুৱান।

আনফালে বাক্সা জিলাৰ মুছলপুৰ উচ্চতৰ মাধ্যমিক খেলপথাৰত জিলা প্ৰশাসনৰ সহযোগত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত কালিৰে পৰা তিনিদিনীয়াকৈ ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত ৩০টা মহিলা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

মঙলদৈৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অহা ১৩ এপ্ৰিলৰ পৰা ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এক বিশেষ প্ৰদৰ্শণী আৰু অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। নৱপ্ৰজন্মক বিহুৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত আৰু আগ্ৰহী কৰি তোলাৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি উদ্যোক্তা সমিতিৰ সভাপতি তথা মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই জানিবলৈ দিছে।

00000

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে জনসাধাৰণক নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰোৱাৰ লক্ষ্যৰে এইবাৰ বিশেষভাৱে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে। আয়োগে কেইবাটাও অনলাইন এপ্লিকেশনৰ সহায়ত এই ব্যৱস্থা গ্ৰহণ কৰিছে। এনে এপ্লিকেচনসমূহ হৈছে **চি ভিজিল, সুবিধা, সক্ষম ই চি আই আৰু এন জি এছ পি** । নিৰ্বাচন আয়োগৰ চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এপ্লিকেচনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফুতভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপটীয়াকৈ ফটো বা ভিডিঅ'হে পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাড বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে।

00000

ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, এন আই এ-য়ে আজি অসমৰ লগতে ঝাৰখণ্ডত অভিযান চলাই পিপ'লছ লিবাৰেচন ফ্ৰণ্ট অৱ ইণ্ডিয়া নামৰ নক্সালবাদী সংগঠনক পুনৰ উজ্জীৱিত কৰাৰ বাবে চেষ্টা চলাই থকা এজন লোকক গ্ৰেপ্তাৰ কৰে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত